**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 30-04-2026 **Time :** 1100 Hrs.

৪ মে’ত হ’বলগীয়া অসম বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে ৩৫ খন জিলাৰ মুখ্য কাৰ্যালয়ত মুঠ ৪০টা কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে কোকৰাঝাৰ, তিনিচুকীয়া আৰু যোৰহাট জিলাত দুটাকৈ ভোটগণনা কেন্দ্ৰ থকাৰ লগতে নগাঁও জিলাত তিনিটা ভোটগণনা কেন্দ্ৰ স্থাপন কৰা হৈছে। ভোটগণনাৰ সন্দৰ্ভত কালি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে এখন সংবাদমেল সম্বোধন কৰি এই তথ্য প্ৰকাশ কৰে। প্ৰায় ৩ দশকৰ পাছত এটা পৰ্যায়ত অনুষ্ঠিত এইবাৰৰ অসম বিধানসভা নিৰ্বাচন ঐতিহাসিক বুলি তেওঁ কয়। বিগত ৫টা বিধানসভা নিৰ্বাচনৰ ভিতৰত এইবাৰ ৰাজ্যত অভিলেখ ভোটদান হোৱাৰ কথাও মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীগোৱেলে কয়, যে ভোটগণনা প্ৰক্ৰিয়া নিৰীক্ষণৰ বাবে ১২৬ জন ভোটগণনা পৰ্যবেক্ষক নিয়োগ কৰা হৈছে আৰু এই প্ৰক্ৰিয়াত ৫ হাজাৰ ৯৮১ গৰাকী ভোটগণনাকাৰী বিষয়া আৰু ২ হাজাৰ ৩৪৮ গৰাকী মাইক্ৰ’অবজাৰভাৰে সহযোগিতা আগবঢ়াব। প্ৰতিটো সমষ্টিৰ ভোটদানৰ হাৰৰ ওপৰত ভিত্তি কৰি ১৫ৰ পৰা ২৮টা ৰাউণ্ডত ভোটগণনা কৰা হ’ব আৰু নিকট প্ৰতিদ্বন্দ্বিতা হোৱা আসনৰ বাবে পুনৰ ভোটগণনাৰো ব্যৱস্থা থাকিব। ৰিটাৰ্ণিং বিষয়াসকলে পোষ্টেল বেলটসমূহ পৰীক্ষা কৰিব। ভোটগণনা প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে কেইবাতৰপীয়া সুৰক্ষা ব্যৱস্থা গঢ়ি তোলা হৈছে বুলি শ্ৰীগোৱেলে প্ৰকাশ কৰে। আনহাতে নিৰ্বাচনী ফলাফল ঘোষণা হোৱাৰ পাছত ৰাজনৈতিক দল বা প্ৰাৰ্থীক সমদল আদি উলিওৱাত নিৰ্বাচন আয়োগে পোনপটীয়াকৈ বাধা আৰোপ কৰা নাই যদিও এনে সমদল আদিৰ জৰিয়তে যাতে কোনো অপ্ৰীতিকৰ পৰিৱেশৰ সৃষ্টি নহয় তাৰ বাবে আয়োগে চোকা দৃষ্টি ৰাখিব বুলিও তেওঁ কয়।

oooooooo

বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনসমূহে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে বিভিন্ন জিলা ভ্ৰমণ কৰি ভোটগণনাৰ প্ৰস্তুতিৰ বুজ লৈছে। তদুপৰি ভোটগণনাৰ দিনটোত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত নহয়, তাৰবাবে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। ডিব্ৰুগড় জিলা নিৰ্বাচনী বিষয়া বিক্ৰম কৈৰীয়ে কালি ডিব্ৰুগড় পলিটেকনিকত স্থাপন কৰা ষ্ট্ৰং ৰূম আৰু ভোটগণনা কক্ষ পৰিদৰ্শন কৰি যাৱতীয় প্ৰস্তুতিৰ বুজ লয়। পৰিদৰ্শন কালত জিলা আয়ুক্তগৰাকীয়ে ভোটগণনা প্ৰক্ৰিয়া নিৰপেক্ষ আৰু নিয়াৰিকৈ সম্পন্ন কৰাৰ ওপৰত গুৰুত্ব দিয়ে। তেওঁ ষ্ট্ৰং ৰূমৰ সুৰক্ষা ব্যৱস্থা, গণনা কক্ষৰ আন্তঃগাঁথনি, চি চি টি ভি নিৰীক্ষণ ব্যৱস্থাকে ধৰি বিভিন্ন দিশৰ বুজ লয়। কালি জিলা নিৰ্বাচনী বিষয়াগৰাকীৰ অধ্যক্ষতাত এটা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত জিলাখনৰ সকলো ৰিটাৰ্নিং বিষয়া আৰু মূল প্ৰশিক্ষকসকল উপস্থিত থাকে। চিৰাং জিলাৰ দুটা বিধানসভা সমষ্টিৰ ভোটগণনাৰ বাবে জিলা প্ৰশাসনে পূৰ্ণ গতিত প্ৰস্তুতি চলাই আছে। ভোটগণনাত নিয়োজিত সূক্ষ্ম পৰ্যবেক্ষক, গণনা পৰ্যবেক্ষক আৰু গণনা সহায়কাৰীসকলৰ লগতে অন্যান্য বিষয়া-কৰ্মচাৰীসকলৰ প্ৰশিক্ষণ কালি আৰম্ভ হয়। জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া মধুসূদন নাথে কালি প্ৰশিক্ষণ কাৰ্যসূচীত উপস্থিত হৈ ভোটগণনাৰ বাবে নিয়োজিত বিষয়া-কৰ্মচাৰীসকলক পৰামৰ্শ দিয়ে। চিদলী, চিৰাং আৰু বিজনী বিধানসভা সমষ্টিৰ বাবে কাজলগাঁৰৰ উপেন্দ্ৰ নাথ ব্ৰহ্ম মহাবিদ্যালয় চৌহদত স্থাপন কৰা ভোটগণনা কেন্দ্ৰত ৪ মে’ত ভোটগণনা কৰা হ’ব।

oooooooo

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে আজি অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায় প্ৰদান কৰিব। কেইবাদিনো ধৰি উভয় পক্ষৰ অধিবক্তাৰ যুক্তি প্ৰদৰ্শনৰ পাছত আজি আদালতে গোচৰটোৰ মূল অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ ৰায় প্ৰদানৰ বাবে দিন ধাৰ্য কৰিছে। ২ মে’ত গোচৰটোৰ আন এজন অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন সন্দৰ্ভতো আদালতে ৰায় দিব। উল্লেখযোগ্য যে গোচৰটোত কালি অভিযুক্তৰ বিৰুদ্ধে ধাৰা আৰোপৰ চৰকাৰী পক্ষৰ যুক্তি প্ৰদৰ্শন প্ৰক্ৰিয়াৰ অন্ত পৰে। শিল্পীগৰাকীৰ মৃত্যুৰ গোচৰত অভিযুক্তৰ ওপৰত গোচৰৰ ধাৰা আৰোপ সন্দৰ্ভত বিশেষ

লোক অধিবক্তাগৰাকীয়ে কালি যুক্তি প্ৰদৰ্শন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে। ইয়াৰ পাছত ধাৰা আৰোপ সন্দৰ্ভত বক্তব্য থাকিলে আজিৰ ভিতৰত দাখিল কৰিবলৈ অভিযুক্ত পক্ষক নিৰ্দেশ দিয়া হৈছে।

ইপিনে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ মালিকানাধীন এটা ব্যৱসায়িক প্ৰতিষ্ঠান জব্দ কৰাৰ নিৰ্দেশ জাৰি কৰিছে। ইয়াৰ লগতে সিদ্ধাৰ্থ শৰ্মা আৰু পৰিয়ালৰ সদস্যৰ নামত থকা ছটা বেংক একাউণ্ট জব্দ কৰাৰ বাবেও আদালতে নিৰ্দেশ দিয়ে। জুবিন গাৰ্গৰ মেনেজাৰ হিচাপে দায়িত্বত থকা অৱস্থাতে সিদ্ধাৰ্থ শৰ্মাই এগৰাকী ব্যৱসায়ীৰ সৈতে এই প্ৰতিষ্ঠানটো মুকলি কৰিছিল। প্ৰতিষ্ঠানটো জব্দ কৰাৰ বাবে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ তদন্তকাৰী গোটৰ মুখ্য বিষয়া ৰ'জি কলিতাই আদালতত এখন আবেদন দাখিল কৰে। এই আবেদনৰ ভিত্তিত কেইবাদিনো ধৰি চলা শুনানিৰ অন্তত কালি প্ৰতিষ্ঠানটো জব্দ কৰাৰ নিৰ্দেশ দিয়া হয়। শিল্পীগৰাকীৰ কষ্টোপাৰ্জিত ধন আত্মসাৎ কৰি মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাই কেইবাটাও একাউণ্টত জমা ৰখা বুলি অসম চৰকাৰৰ বিশেষ অধিবক্তা জিয়াউল কামাৰে আদালতত যুক্তি প্ৰদৰ্শন কৰাৰ পাছত আদালতে তেওঁৰ বেংক একাউণ্ট কেইটা জব্দ কৰাৰ নিৰ্দেশ দিয়ে।

০০০০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয় শিক্ষক সংস্থাই গ্ৰেহেম বজাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত কালি এটা শৈক্ষিক সম্প্ৰসাৰণ কাৰ্যসূচীৰ আয়োজন কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰায়োগিক ভূতত্ব বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক তথা পূৰ্বৰ পঞ্জীয়ক ডং মৃণালেন্দ্ৰ নাৰায়ণ দত্তৰ আৰ্থিক অনুদানেৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭০ শতাংশতকৈ অধিক নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক কালি আৰ্থিক উদগনি প্ৰদান কৰা হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি নেভিগেটিং এড'লেচন্‌ছ এ লাইফ স্কিল এপ্ৰছ' শীৰ্ষক বক্তৃতা প্ৰদান বিশ্ববিদ্যালয়খনৰ শিক্ষাতত্ব বিভাগৰ প্ৰাধ্যাপক ডং নীতা কলিতা বৰুৱাই।

০০০০০০০

কামৰূপ আৰক্ষীয়ে জাল চহীৰে বেংকৰ পৰা ৫ লাখ টকা উলিয়াই পলায়ন কৰা এজন প্ৰৱঞ্চকক উত্তৰ গুৱাহাটীৰ পৰা গৈ ৰঙিয়াত গ্ৰেপ্তাৰ কৰে। বিহাৰৰ বাসিন্দা কৃষ্ণ সাহা নামৰ প্ৰৱঞ্চকজনে উত্তৰ গুৱাহাটীৰ এগৰাকী ব্যৱসায়ীৰ বেংকৰ চহী জাল কৰি ধন উলিয়াইছিল। আৰক্ষীয়ে লোকজনৰ পিছ লৈ ৰঙিয়াত তেওঁক ধনৰ সৈতে গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হয়।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ, ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭  বজাত অনুষ্ঠিত হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে মুম্বাই ইণ্ডিয়ানছক ৬ উইকেটত পৰাস্ত কৰে।

০০০০০০

**সমাপ্ত**